**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-08-2026
**Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN

## HEADLINES

::::::::::::::::::::

১। ব্ৰিক্‌ছ ৰাষ্ট্ৰগোষ্ঠীৰ বৈঠক পৰিৱেশৰ ক্ষেত্ৰত বিশ্বজুৰি দেখা দিয়া সমস্যা সমাধানৰ মঞ্চ হিচাপে পৰিগণিত হৈছে বুলি বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

২। পি এম গতিশক্তি পদক্ষেপৰ অধীনত এই পৰ্যন্ত ৩৯৬টা আন্তঃগাঁথনি প্ৰকল্পত অনুমোদনৰ পৰামৰ্শ দিয়া হৈছে।

৩। অসমৰ শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত চাৰিখন জিলাৰ বান প্ৰভাৱিত লোকসকলৰ বাবে আজি দ্বিতীয় পৰ্যায়ৰ অন্তৰ্বৰ্তীকালীন সাহায্য মুকলি কৰা হয়।

৪। বিহাৰৰ লক্ষীচৰাই জিলাত আজি অশোক ধাম মন্দিৰলৈ যোৱা ভক্তৰ হেঁচা-ঠেলাত ৭ গৰাকী মহিলাৰ মৃত্যু হয়।

আৰু

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা ভাৰতে ৪৬২ ৰানত নিজৰ প্ৰথম ইনিংছ সামৰে।

ooooo

বিগত দুটা দশকত BRICS ৰাষ্ট্ৰগোষ্ঠীৰ বৈঠক কেৱল অৰ্থনৈতিক দিশৰ আলোচনাত সীমাবদ্ধ থকা নাই, বৰং প্ৰদূষণ, জৈৱ বৈচিত্ৰ হ্ৰাস, গোলকীয় উত্তাপ বৃদ্ধিকে ধৰি পৰিৱেশৰ ক্ষেত্ৰত বিশ্বজুৰি দেখা দিয়া সমস্যাসমূহ সন্দৰ্ভতো আলোচনাৰ মঞ্চ হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত আজি অনুষ্ঠিত ব্ৰিক্‌ছৰ পৰিৱেশ কাৰ্যগোট আৰু জলবায়ু পৰিৱৰ্তন তথা বহনক্ষম উন্নয়ন বিষয়ক সম্পৰ্ক গোটৰ শীৰ্ষ বিষয়াসকলৰ বৈঠকত অধ্যক্ষতা কৰি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ সচিব তন্ময় কুমাৰে এই বিষয়ে প্ৰকাশ কৰে। এই বৈঠকত ভাৰতৰ অধ্যক্ষতাত কাইলৈ নতুন দিল্লীত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠক সন্দৰ্ভত সবিশেষ উল্লেখ কৰা হয়। সচিবগৰাকীয়ে কয়, যে গোলকীয় সহযোগিতা মানৱীয় দৃষ্টিভংগীৰে অগ্ৰসৰ হোৱা উচিত বুলি  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিমতৰ ওপৰত ভিত্তি কৰি এইবাৰৰ বৈঠকৰ আয়োজন কৰা হৈছে।

ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ পৰিৱেশ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ মূল বিষয়বস্তু হৈছে– **স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বিকাশ**।

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই বৈঠকত অধ্যক্ষতা কৰিব। পৰিৱেশ আৰু বন মন্ত্ৰালয়ে এই বৈঠক ফলপ্ৰসূ আলোচনা, সহমত আৰু পৰিৱেশ সহযোগিতা সুদৃঢ় কৰাৰ মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি আশা কৰিছে। মন্ত্ৰালয়ে লগতে কয়, যে এই বৈঠকত

অধ্যক্ষতাৰ অংশ হিচাপে ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ কাৰ্যগোটৰ অধীনত ভাৰতে চাৰিটা অগ্ৰাধিকাৰমূলক ক্ষেত্ৰ চিনাক্ত কৰিছে। এই ক্ষেত্ৰসমূহ হৈছে বহনক্ষম জীৱনশৈলীৰ প্ৰসাৰ, বনানীকৰণ, বনজুই ব্যৱস্থাপনা আৰু দুৰ্যোগ স্থিতিস্থাপকতা তথা চক্ৰীয় অৰ্থব্যৱস্থা আৰু অভিযোজন।

ooooo

পি এম গতিশক্তি পদক্ষেপৰ অধীনত এই পৰ্যন্ত বিভিন্ন মন্ত্ৰালয়ৰ ১৮ লাখ ৬৪ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ৩৯৬টা আন্তঃগাঁথনি প্ৰকল্পত অনুমোদনৰ পৰামৰ্শ দিয়া হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে প্ৰকল্পসমূহৰ ভিতৰত ২৫০ টা প্ৰকল্পই অনুমোদন লাভ কৰিছে আৰু ১৯৮ টা ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে। নেটৱৰ্ক পৰিকল্পনা গোট ব্যৱস্থাৰে এই প্ৰকল্পসমূহ মূল্যায়ন কৰি থকা হৈছে বুলি মন্ত্ৰালয় সূত্ৰই প্ৰকাশ কৰে। বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদাই সংসদৰ বৰ্ষাকালীন অধিৱেশনত লোকসভাত এটা লিখিত উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে পি এম গতিশক্তি ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ অধীনত বিভিন্ন মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ বিভাগ তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বিভিন্ন দায়িত্বৱাহী বিভাগক একত্ৰিত কৰি আন্তঃগাঁথনি প্ৰকল্পসমূহৰ সংহত পৰিকল্পনা আৰু সমন্বিত ৰূপায়ণ নিশ্চিত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী গতিশক্তি যোজনাৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীয়ে ভূস্থানীয় তথ্য, উপগ্ৰহৰ চিত্ৰ আৰু এ পি আই সংহত নিৰীক্ষণ ব্যৱস্থাৰে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক তথ্যৰ যোগান ধৰে। এই যোজনাৰ অধীনত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ণত সহযোগিতা আগবঢ়োৱাৰ উপৰি জনসাধাৰণক যাতায়াত আৰু বিভিন্ন সেৱা আৰু সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা হয়। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই পৰ্যন্ত এই যোজনাৰ অধীনত ৫৮ টা মন্ত্ৰালয় আৰু ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভালেসংখ্যক বিভাগক সামৰি লোৱা হৈছে। এই যোজনাই ৰে'ল, বন্দৰ, জাহাজ, জলপথ, শক্তি, প্ৰাকৃতিক গেছ, অসামৰিক বিমান পৰিবহণ, দূৰ সংযোগ, ঔদ্যোগিক কৰিডৰকে ধৰি কেইবাটাও বিষয় সামৰি লৈছে।

ooooo

অসমৰ শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বান প্ৰভাৱিত লোকসকলৰ বাবে আজি দ্বিতীয় পৰ্যায়ৰ অন্তৰ্বৰ্তীকালীন সাহায্য প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই পৰ্যায়ত ৩১ হাজাৰ ৯৫১টা বান ক্ষতিগ্ৰস্ত পৰিয়ালৰ বাবে ৪৭ কোটি ৯৩ লাখ টকা মুকলি কৰে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, যে ইয়াৰ পূৰ্বে এই জিলাকেইখনৰ ৬৪ হাজাৰ ৮৯১টা পৰিয়াললৈ ১৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰা হয়।

**ৰাইট (চি এম)**

ক্ষতিগ্ৰস্ত প্ৰায়সংখ্যক লোকক ১৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে যদিও শিৱসাগৰ সমষ্টিৰ ৩ হাজাৰ লোকৰ জৰীপ এতিয়াও অব্যাহত আছে আৰু প্ৰয়োজন সাপেক্ষে তৃতীয় পৰ্যায়ত এই লোকসকলৰ বাবে অন্তৰ্বৰ্তীকালীন সাহায্য প্ৰদানৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

বিহাৰৰ লক্ষীচৰাই জিলাত আজি অশোক ধাম মন্দিৰলৈ যোৱা ভক্তৰ হেঁচা-ঠেলাত ৭ গৰাকী মহিলাৰ মৃত্যু হয়। আজি জলাভিষেক পৰম্পৰাৰ বাবে বহু সংখ্যক ভক্তৰ সমাগমৰ সময়ত এই দুৰ্ঘটনা সংঘটিত হয়। পদপিষ্ট হৈ ১০ গৰাকীৰো অধিক ভক্ত গুৰুতৰভাৱে আহত হয়। গুৰুতৰভাৱে আহতসকলক পাটনা

চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰাৰ বিপৰীতে বাকীসকলক জিলা সদৰ হাস্পতালত চিকিৎসা কৰি থকা হৈছে। আকাশবাণীৰ পাটনাৰ সংবাদদাতাই জনোৱা মতে আজি পুৱা অশোকধাম ষ্টেচনৰ পৰা মন্দিৰলৈ যোৱাৰ পথত এই দুৰ্ঘটনা সংঘটিত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি বৈদ্যুতিক খুঁটাৰ পৰা এডাল বৈদ্যুতিক তাঁৰ ছিঙি পৰি থকা বুলি অপপ্ৰচাৰ চলোৱাৰ ফলত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয় আৰু ভিৰৰ মাজত পদপিষ্ট হৈ মহিলাকেইগৰাকীৰ মৃত্যু হয়।

বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে এই ঘটনাত শোক প্ৰকাশ কৰিছে। তেওঁ আহতসকলৰ যাৱতীয় চিকিৎসা নিশ্চিত কৰাৰ বাবে প্ৰশাসনক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে নিহতসকলৰ নিকটস্থায়ীলৈ ৪ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত শোক প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে স্থানীয় প্ৰশাসনে ক্ষতিগ্ৰস্তসকলক প্ৰয়োজনীয় সাহায্য আগবঢ়াইছে বুলি আশ্বাস দিয়ে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ২০২৬ বৰ্ষৰ ৰাষ্ট্ৰীয় অনুভৱ বঁটাসমূহ প্ৰদান কৰিব। মন্ত্ৰালয়ে জনোৱা মতে এই অনুষ্ঠানতে পেঞ্চন মিত্ৰ সন্দৰ্ভত হাতপুথি আৰু ৰাষ্ট্ৰজোৰা ডিজিটেল জীয়াই থকাৰ প্ৰমাণপত্ৰ অভিযান-৫ৰ নিৰ্দেশাৱলী মুকলি কৰা হ'ব। অনুষ্ঠানৰ অংশ হিচাপে এখন বেংক প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত ১৭টা পেঞ্চন বিতৰণ বেংকে অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলৰ বাবে নিজৰ সেৱাসমূহ প্ৰদৰ্শন কৰিব।

উল্লেখযোগ্য যে এই বছৰৰ ৰাষ্ট্ৰীয় অনুভৱ বঁটা আঁচনিৰ বাবে বাছনি লাভ কৰা ১৫ গৰাকী লোকে ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগোৱাৰ লগতে পাছপ'ৰ্ট সেৱা কেন্দ্ৰ, পুৰণি নিয়মৰ অন্ত পেলাই বৰ্তমানৰ পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ নতুন নিয়ম গঠন, প্ৰশাসনিক আৰু গাণনিক ব্যৱস্থাত প্ৰযুক্তিৰ ব্যৱহাৰ, শক্তি সংৰক্ষণৰ দৰে চৰকাৰৰ বিভিন্ন অভিলাষী প্ৰকল্পত অংশ লৈছিল। অনুভৱ মঞ্চই কেন্দ্ৰীয় চৰকাৰৰ অৱসৰপ্ৰাপ্ত অথবা অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰী, ১২টা ৰাজহুৱা খণ্ডৰ বেংক আৰু কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ কৰ্মচাৰীসকলক নিজৰ কাম কৰাৰ অভিজ্ঞতাৰ বিষয়ে প্ৰকাশৰ এখন মঞ্চ প্ৰদান কৰে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পশ্চিমবংগৰ গংগা নৈৰ অৱবাহিকা অঞ্চল আৰু ওড়িশাত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনাৰে ৰেড এলাৰ্ট জাৰি কৰিছে। ইপিনে, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশৰ পূব অংশ, ঝাৰখণ্ড আৰু ছিকিমত কাইলৈৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে। আনহাতে, উত্তৰ-পূৰ্বাঞ্চলৰ কোনো কোনো অংশ, হাৰিয়ানা, চণ্ডীগড়, পাঞ্জাব, উত্তৰাখণ্ড, মধ্য প্ৰদেশ আৰু ছত্তিশগড়তো কাইলৈ ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আশংকা কৰা হৈছে। বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুটা দিনত বিহাৰ, কৰ্ণাটক, ওড়িশা, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, পুডুচেৰী, কৰাইকল, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত বিজুলী-ঢেৰেকণিৰে বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। একেদৰে দিল্লীৰ কোনো কোনো অংশত আজি পাতলীয়া বৰষুণ হোৱাৰো বতৰা দিয়া হৈছে।

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা শ্ৰীলংকাই প্ৰথম ইনিংছত ৫ টা উইকেটৰ বিনিময়ত ১৫০ ৰান কৰি খেলি

আছে। ইয়াৰ পূৰ্বে ভাৰতে আজি আটাইকেইটা উইকেট হেৰুৱাই ৪৬২ ৰান কৰি নিজৰ প্ৰথম ইনিংছ সামৰে। দেৱদত্ত পাডিক্কলে ১৬৭ ৰান কৰাৰ বিপৰীতে কে এল ৰাহুলে ৮২ আৰু ধ্ৰুৱ জুড়েলে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৪৬০ ৰানৰ পৰা আজি তৃতীয় দিনাৰ খেল আৰম্ভ কৰে যদিও অন্তিমটো উইকেটৰ বিনিময়ত অতিৰিক্ত ২ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ প্ৰবাথ জয়ছুৰীয়াই ৪টা উইকেট দখল কৰাৰ লগতে কেশাৰা নুৱান্থাই তিনিটা আৰু আশ্বিতা ফাৰ্ণণ্ডে'ৱে দুটা উইকেট লাভ কৰে। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল ২৩ আগষ্টত কলম্বোত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত